# অসম বিধান সভা

মৌখিক উত্তৰৰ বাবে প্ৰশ্ন সমূহৰ তালিকা

শুক্ৰবাৰ, ২১ মাৰ্চ, ২০২৫

**ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা, তথ্য প্ৰযুক্তি, বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন, পাৰ্বত্য এলেকা উন্নয়ন, পৰিবহন, সমবায়, খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস তথা সংস্কৃতি, প্ৰত্নতত্ব সঞ্চালকালয় আৰু পুঁথি ভড়াঁল আৰু সংগ্ৰহালয় সঞ্চালকালয়, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, জলসিঞ্চন, হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম, ভূমি সংৰক্ষণ, বড়োলেণ্ড কল্যাণ।**

**প্ৰশ্ন সমূহৰ মুঠ সংখ্যা-২০**

*বিষয় ঃ* **চাহ শ্ৰমিকক মাটিৰ পট্টা প্ৰদান ।**

শ্ৰীপোনাকণ বৰুৱা ঃ

* ২০১। মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমান চাহ বাগিচা আছে? বাগিচা সমূহত চাহ শ্ৰমিকৰ কিমান সংখ্যক পৰিয়াল বাস কৰে?

(খ) বাগিচা সমূহত নিয়োজিত হৈ থকা স্থায়ী শ্ৰমিকৰ সংখ্যা কিমান? অস্থায়ী শ্ৰমিকৰ সংখ্যা কিমান? প্ৰাক্তন চাহ শ্ৰমিকৰ সংখ্যা কিমান?

(গ) বাগিচা সমূহত বাস কৰা কিমান সংখ্যক স্থায়ী আৰু অস্থায়ী শ্ৰমিকৰ নিজা মাটি আছে? প্ৰাক্তন চাহ শ্ৰমিকৰ কিমান সংখ্যকৰ মাটিৰ পট্টা আছে?

(ঘ) নিজা মাটি-ভেঁটি নথকা চাহ শ্ৰমিক সকলক মাটি প্ৰদান কৰিবলৈ চৰকাৰে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে?

*বিষয় ঃ* **আঁচনি সম্পৰ্কে ।**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

* ২০২। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জলসিঞ্চন বিভাগৰ জৰিয়তে ২০১৬ চনৰ পৰা বৰ্তমানলৈকে অসমত কিমান পুঁজি ব্যয় কৰা হৈছে? সমষ্টি ভিত্তিত তালিকা দিব।

(খ) সৰুক্ষেত্ৰী সমষ্টিত ২০১৬ চনৰ পৰা বৰ্তমানলৈকে এই বিভাগটোৰ জৰিয়তে কি কি আঁচনি ৰূপায়ণ কৰা হৈছে? বিতং তথ্য সহ তালিকা দিব।

(গ) সৰুক্ষেত্ৰী সমষ্টিত জলসিঞ্চন বিভাগৰ কিমান আঁচনি কাৰ্য্যক্ষম হৈ আছে আৰু কিমান আঁচনি বিকল হৈ আছে? বিকল হৈ থকা আঁচনি সমূহ কেতিয়ালৈ কাৰ্য্যক্ষম হ'ব? বিতং তথ্য দিব।

(ঘ) সৰুক্ষেত্ৰী সমষ্টিত নতুনকৈ জলসিঞ্চন আঁচনি নিৰ্মাণ কৰাৰ কিবা পৰিকল্পনা আছে নেকি? যদি আছে, কেতিয়ালৈ কিমানটা আঁচনি নিৰ্মাণ কৰিব? বিতং তথ্য দিব।

*বিষয়ঃ* **মাটি বে-দখল সম্পৰ্কে ।**

শ্ৰীৰূপক শৰ্মা ঃ

* ২০৩। মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাঁও জিলাত চৰকাৰী আৰু VGR/PGR মাটি বে-দখল হৈ আছে নেকি? যদি আছে, ক'ত ক'ত কিমান মাটি বে-দখল হৈ আছে? (সমষ্টি ভিত্তিত তথ্য দিব)।

(খ) VGR/PGR মাটি নগাঁও জিলাত ক'ত ক'ত আৰু কিমান আছে? (সমষ্টি ভিত্তিত তথ্য দিব)।

(গ) কলং আৰু সোনাই নৈত মাটি বে-দখল হৈ আছে নেকি? (বিতং ভাৱে জনাব)।

(ঘ) যদি আছে, কিমান মাটি আৰু ক'ত ক'ত বে-দখল হৈ আছে? (বিতং ভাৱে জনাব)।

(ঙ) এই বে-দখলকৃত ভূমি উচ্ছেদ কৰাৰ বাবে চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি? (বিতং ভাৱে জনাব)

(চ) যদি কৰিছে, কেতিয়াৰ পৰা এই অভিযান আৰম্ভ হ'ব? (বিতং ভাৱে জনাব)।

*বিষয়ঃ* **বনগাঁও সমূহক ৰাজহ গাঁৱলৈ ৰূপান্তৰ কৰাৰ সন্দৰ্ভত।**

শ্ৰীসুৰেন ফুকন ঃ

* ২০৪। মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰে খিলঞ্জীয়া ভূমিপুত্ৰ সকলক মাটিৰ অধিকাৰ প্ৰদানৰ বাবে ইতিমধ্যে কেইবাখনো বনগাঁৱক ৰাজহ গাঁৱলৈ উন্নীত কৰিছে? সেই বিষয়ে চৰকাৰ অৱগত নে?

(খ) যদি অৱগত, ডিগবৈ সমষ্টিৰ বুঢ়ীদিহিং অঞ্চলৰ অন্তৰ্গত তৰানী বঙালী গাঁও, মামৰণী বনগাঁও, পাৱৈ বনগাঁও, তামুলী বনগাঁও, মুলুক গাঁও, খেৰজান, ভীমপথাৰ, বালীজান, বৰজান এই বৃহৎ অঞ্চলৰ বনগাঁও সমূহক ৰাজহ গাঁৱলৈ ৰূপান্তৰ কৰি খিলঞ্জীয়া ভূমিপুত্ৰ সকলক মাটিৰ পট্টা অধিকাৰ প্ৰদানৰ পৰিকল্পনা কৰিছে নেকি?

(গ) যদি কৰিছে, কেতিয়ালৈ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব? (বিতং ভাৱে জনাব)।

*বিষয়ঃ* **ভূমি পট্টা আৰু সমজিলা ।**

শ্ৰীআশ্ৰাফুল হুছেইন ঃ

* ২০৫। মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যত এতিয়াও ছাৰ্ভে

নোহোৱাকৈ থকা বা ছাৰ্ভে প্ৰক্ৰিয়া চলি থকা গাঁৱৰ তালিকা ৰাজহ চক্ৰ অনুযায়ী জনাব।

(খ) ৰাজ্যত বৰ্তমানে বিঘা হিচাপত পট্টা, খাচ, ভিজিআৰ, পিজিআৰ, বনভূমি আৰু অন্যান্য কি প্ৰকাৰৰ মাটি আছে? ৰাজহ চক্ৰ অনুযায়ী জনাব।

(গ) ৰাজ্যৰ মন্ত্ৰীসভাৰ বৈঠকত শেহতীয়াকৈ চৰাঞ্চলৰ ভূমি পট্টাৰ ক্ষেত্ৰত কিবা সিদ্ধান্ত লৈছে নেকি? যদি লৈছে, সাৰাংশ জনাব।

(ঘ) ৰাজ্যৰ এন চি গাঁও সমূহত এতিয়ালৈকে এৰিয়েল ছাৰ্ভে ক'ত ক'ত সম্পূৰ্ণ হৈছে আৰু ক'ত বাকী আছে?

(ঙ) এতিয়ালৈকে কাৰ্য্যক্ষম হোৱা সমজিলা কাৰ্য্যালয়ৰ তালিকা দিব। বাকী থকা সমজিলাবোৰ কেতিয়ালৈকে প্ৰতিষ্ঠা কৰিব?

(চ) নৱগঠিত অনেক সমষ্টি এলেকাৰ ভিতৰত এখনো ৰাজহ চক্ৰ বিষয়াৰ কাৰ্য্যালয় নাই, গতিকে এই ঠাইবিলাকত বিশেষভাৱে চেঙা সমষ্টিত ৰাজহ চক্ৰ বিষয়া কাৰ্য্যালয় স্থাপনৰ প্ৰস্তাৱ বিভাগে ল'ব নে?

*বিষয় ঃ* **ৰোগীৰ সংখ্যা সম্পৰ্কে ।**

শ্ৰীমৃণাল শইকীয়া ঃ

* ২০৬। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমান কিমান সংখ্যক Diagnosis কৰ্কট (Cancer) ৰোগী আছে?

(খ) ৰাজ্যখনৰ কোনখন জিলাত Cancer ৰোগীৰ সংখ্যা বেছি?

(গ) কৰ্কট ৰোগৰ বৃদ্ধিৰ কাৰণ কি আৰু চৰকাৰে ইয়াৰ প্ৰতিৰোধৰ বাবে ব্যৱস্থা লৈছে নেকি?

(ঘ) অসমত Kidney ৰোগীৰ সংখ্যাও দিনক দিনে বৃদ্ধি হোৱাটো সত্য নে? যদি সত্য ইয়াৰ কাৰণ কি?

(ঙ) উক্ত ৰোগৰ প্ৰতিৰোধৰ কাৰণে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

*Subject :* **Dialysis centres in Civil Hospitals.**

Shri Charan Boro :

* 207. Will the Minister of Health & Family Welfare Department be pleased to state :

(a) How many dialysis centres are generally available in a civil hospital in the state ?

(b) Will the Government take immediate steps to increase the number of dialysis centres, considering the rising number of dialysis cases and the increasing casualties among elderly patients ?

*বিষয় ঃ* **জিলা অসামৰিক চিকিৎসালয় ।**

শ্ৰীনৰ কুমাৰ দলে ঃ

* ২০৮। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত জিলা অসামৰিক চিকিৎসালয় স্থাপনৰ বাবে কি কি Criteria ৰ প্ৰয়োজন?

(খ) একোখন জিলা অসামৰিক চিকিৎসালয়ত চিকিৎসক, নাৰ্চ, স্বাস্থ্যকৰ্মী

আৰু অন্যান্য বিষয়া কৰ্মচাৰী তথা কি কি আন্তঃগাঁথনিৰ প্ৰয়োজন? বিতং তালিকা দাখিল কৰিব।

*বিষয়ঃ* **চিকিৎসালয় মেৰামতি ।**

শ্ৰীকৰিম উদ্দিন বৰভূঁঞা ঃ

* ২০৯। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কাছাৰ জিলাৰ অধীনৰ ১০ নং সোনাই বিধান সভা সমষ্টিৰ অন্তৰ্গত 'সোনাই' ব্লক প্ৰাইমাৰী চিকিৎসালয়খনৰ ঘৰসমূহৰ জৰা-জীৰ্ণ অৱস্থাৰ প্ৰতি বিভাগ তথা চৰকাৰৰ দৃষ্টি গোচৰ হৈছেনে?

(খ) যদি হৈছে, উক্ত চিকিৎসালয়খন মেৰামতি ও নতুন বিল্ডিং বনোৱাৰ বাবে বিভাগ বা চৰকাৰে কিবা পৰিকল্পনা হাতত লৈছে নেকি? সদনত জনাব।

*বিষয়ঃ* **হস্পিতালৰ পদ সম্পৰ্কে ।**

শ্ৰীমতী দিপ্তীময়ী চৌধুৰী ঃ

* ২১০। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বঙাইগাঁও অসামৰিক হস্পিতালত চিকিৎসক, চিকিৎসাকৰ্মী আৰু অন্যান্য বিষয়া-কৰ্মচাৰীৰ অনুমোদিত পদ কিমান আছে?

(খ) এই পদবোৰৰ কিমান পদ খালী হৈ আছে?

(গ) খালী হৈ থকা পদবোৰ কেতিয়া পূৰণ কৰা হ'ব? সদনক জনাব।

*বিষয়ঃ* **ভূমি আৱন্টন ।**

শ্ৰীতেৰছ গোৱালা ঃ

* ২১১। মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বসুন্ধৰা-১ আৰু ২ৰ জৰিয়তে অসমত কিমান লোকৰ ভূমি সম্পৰ্কীয় কি কি সমস্যা সমাধান কৰা হ'ল? জিলাৰ বিধান সভা সমষ্টি ভিত্তিত সংখ্যা দিব।

(খ) বসুন্ধৰা-১ আৰু ২ৰ গাইডলাইন / নিৰ্দেশাৱলী সমূহ কি কি? সবিশেষ জনাব।

(গ) বসুন্ধৰা-১ আৰু ২ৰ জৰিয়তে দুলীয়াজান বিধান সভা সমষ্টিত ভূমিৰ সমস্যা সম্পৰ্কীয় কিমান লোকৰ কি কি সমস্যা সমাধান কৰা হ'ল? উপকৃত হোৱা লোকসকলৰ নাম-ঠিকনা সহ গাঁও পঞ্চায়ত ভিত্তিত তালিকা দিব।

(ঘ) বসুন্ধৰা-৩ৰ গাইডলাইন / নীতি সমূহ কি কি? সবিশেষ জনাব।

(ঙ) চাহ বাগিচা অধ্যুষিত চাহ ম্যাদী ভূমি ৪০-৫০ বছৰৰ অধিক সময় ধৰি ভোগদখল কৰি খাই থকা ভূমিহীন চাহ জনগোষ্ঠীৰ লোক সকলক মাটি আবণ্টন / পট্টা দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে নেকি? যদি কৰিছে, বিভাগীয় কি কি নীতি / গাইডলাইন / চৰ্তত / যোগ্যতাৰ আধাৰত আবেদনকাৰী সকল সেৱাসেতুত আবেদন কৰাৰ ব্যৱস্থা আছে? সবিশেষ জনাব।

(চ) দুলীয়াজান বিধান সভা সমষ্টিৰ টেঙাখাট ৰাজহ চক্ৰৰ টিপ্লীং মৌজাৰ ১৫ নং জালনী গ্ৰাণ্ট (বানিবস্থি) গাঁৱৰ আৰু টেঙাখাট

মৌজাৰ উইল্টন গ্ৰাণ্টৰ ২২/১৫৭ ORR দাগ নং ১৫ আৰু ২৭ ত ভূমিহীন চাহ জনগোষ্ঠীৰ লোকসকলে মাটি আবণ্টন বিচাৰি আৱেদন কৰাৰ পাছতো আৱণ্টন পোৱা নাই কিয়? কাৰণ সমূহ সবিশেষ জনাব।

*বিষয়ঃ* **আঁচনিৰ সন্দৰ্ভত ।**

শ্ৰীৰমাকান্ত দেউৰী ঃ

* ২১২। মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মৰিগাঁও জিলাৰ লগতে মৰিগাঁও সমষ্টিত ভূমি সংৰক্ষণ বিভাগৰ অধীনত ২০১৬ চনৰ পৰা বৰ্তমানলৈকে কি কি আঁচনি গ্ৰহণ তথা ৰূপায়ণ কৰা হৈছে?

(খ) উক্ত আঁচনি সমূহৰ বাবদ কিমান টকা আবণ্টিত হৈছে, কিমান টকা বৰ্তমানলৈ মোকলাই দিয়া হৈছে আৰু কিমান টকা বৰ্তমানেও মোকলাই দিবলৈ বাকী আছে, তথ্য সহকাৰে সদনত জনাব।

*বিষয়ঃ* **সুলভ মূল্যৰ দোকান ।**

শ্ৰীছামছুল হুদা ঃ

* ২১৩। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিৰসিং জৰুৱা বিধান সভা সমষ্টিত কিমানখন সমবায় আছে?

(খ) বিৰসিং জৰুৱা বিধান সভা সমষ্টিত থকা সমবায় সমূহৰ অধীনত কিমানখন সুলভ মূল্যৰ দোকান আছে?

(গ) মাহিলী কিমান কুইণ্টল চাউল সমবায়ৰ পৰা এই পঞ্জীয়নভুক্ত সুলভ মূল্যৰ দোকান সমূহে লাভ কৰি আছে?

(ঘ) বিৰসিং জৰুৱা বিধান সভা সমষ্টিৰ কিমান পৰিয়ালে আৰু প্ৰতিটো পৰিয়ালৰ সদস্যৰ পৰিৱৰ্তে কিমান কিলোগ্ৰাম চাউল লাভ কৰি আছে? বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

*বিষয়ঃ* **যোৰহাট চিকিৎসা মহাবিদ্যালয়ত Paying Cabin ৰ বিষয়ে।**

শ্ৰীভাস্কৰজ্যোতি বৰুৱা ঃ

* ২১৪। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

যোৰহাট চিকিৎসা মহাবিদ্যালয়ত Paying Cabin ৰ ব্যৱস্থা নথকাৰ ফলত ৰোগীসকলে বহুত অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে? সেয়েহে চৰকাৰে যোৰহাট চিকিৎসা মহাবিদ্যালয়ত কিছুসংখ্যক Paying Cabin ৰ বাবে অনুমোদন জনাবনে?

*বিষয়ঃ* **আদৰ্শ চিকিৎসালয়ৰ সম্পৰ্কে ।**

মোঃ নুৰুল হুদা ঃ

* ২১৫। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত আদৰ্শ চিকিৎসালয় কিমান আছে? জিলাভিত্তিক আদৰ্শ চিকিৎসালয়ৰ নামৰ তালিকা দাখিল কৰিব।

(খ) আদৰ্শ চিকিৎসালয় সমূহত পৰীক্ষাগাৰ, পৰীক্ষাগাৰৰ যন্ত্ৰপাতি / সা-সৰঞ্জাম পৰ্য্যাপ্ত পৰিমাণে আছে নে?

(গ) চিকিৎসক (MD), শিশু বিশেষজ্ঞ চিকিৎসক, ৰেডিঅ'ল'জিস্ট, লেবৰেটৰি টেক্‌নিচিয়ান আছে নে? বিতং তথ্য সদনত জনাব।

(ঘ) দগাঁও আদৰ্শ চিকিৎসালয় আৰু

ৰূপহী আদৰ্শ চিকিৎসালয়ত পৰীক্ষাগাৰৰ যন্ত্ৰপাতি, X-Ray Machine, Ultrasound Machine, Radiologist operator, শিশু বিশেষজ্ঞ আছে নে? বিতং তালিকাৰে সৈতে দাখিল কৰিব।

*বিষয়ঃ* **স্বাস্থ্য পৰিষেবা।**

শ্ৰীসুজাম উদ্দিন লস্কর ঃ

* ২১৬। মাননীয় স্বাস্থ্য ও পরিবার কল্যাণ বিভাগের মন্ত্রী মহাশয় অনুগ্রহ করিয়া জানাইবেন কি ঃ

(ক) হাইলাকান্দি জেলার কাটলিছড়া সমষ্টির রামচণ্ডি দ্বীননাথপুর PHC ও কাছারীথল PHC Building নির্মাণ কাজ সম্পন্ন হওয়ার বহুদিন হয়ে গেছে কিন্তু আজ অবধি উক্ত PHC গুলিতে স্বাস্থ্য পরিষেবা প্রদানের কাজ আরম্ভ না হওয়ার বিষয়ে সরকার অবগত আছে কি?

(খ) যদি থেকে, তবে উক্ত PHC গুলিতে কবে নাগাদ স্বাস্থ্য পরিষেবা আরম্ভ করা হবে?

*Subject :* **Amreng Irrigation Project.**

Shri Bidya Sing Engleng :

* 217. Will the Minister of Irrigation Department be pleased to State :

The Amreng Irrigation Project in West Karbi Anglong District has been taken up for implementation. Therefore, Please state that :-

(a) Whether the concerned department has called tender for the project?

(b) If yes, then Please furnish the details of the tender process including the name of the selected contractor.

(c) What is the estimated cost of the project ?

(d) What is the time frame for completion of the project ?

*বিষয়ঃ* **চাউল পৰিবহন খৰচৰ অনাদায় বিল সম্পৰ্কে।**

শ্ৰীআব্দুল বাতিন খন্দকাৰ ঃ

* ২১৮। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) NFSA, Mid day meal আৰু অন্যান্য চৰকাৰী আঁচনিৰ অধীনত সমবায় সমূহে পৰিবহন খৰচ / ব্যয়ৰ বাবদ কিমান ধন পাবলগীয়া হৈ আছে? সমবায়, জিলা ভিত্তিক তালিকা দিব।

(খ) অনাদায় হৈ থকা পৰিবহন ব্যয় পৰিশোধ কৰাৰ ব্যৱস্থা চৰকাৰে কৰিব নে?

*বিষয়ঃ* **ভূমি সংৰক্ষণ বিভাগৰ আঁচনি।**

শ্ৰীমজিবুৰ ৰহমান

* ২১৯। মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গৰাখহনীয়া, ভূমিস্খলন আৰু আবদ্ধ হৈ থকা পানী নিষ্কাশনৰ বিষয়বোৰ সমাধানৰ

বাবে ভূমি সংৰক্ষণ বিভাগৰ কি ধৰণৰ আঁচনি আছে? বিভাগে আঁচনি প্ৰস্তুত কৰোতে ক্ষেত্ৰ ভিত্তিক পৰিদৰ্শনৰ মাজেৰে আঁচনিৰ পৰিকল্পনা কৰা হয়নে?

(খ) ভূমি সংৰক্ষণ বিভাগে বৰ্তমানলৈকে দলগাঁও বিধান সভা সমষ্টিত মুঠ কিমানখন আঁচনি ৰূপায়ণ কৰিলে? আঁচনিৰ বিতং তথ্য সদনত দাখিল কৰিব।

(গ) বিগত তিনিটা বিত্তীয় বৰ্ষত দলগাঁও বিধান সভা সমষ্টিত ভূমি সংৰক্ষণ বিভাগে কোন কোন শিতানত কি কি আঁচনি মঞ্জুৰী দিছে?

*বিষয়ঃ* **Kherony Model Hospitals requirement.**

শ্ৰীৰূপছিং টেৰণ ঃ

* ২২০। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পশ্চিম কাৰ্বি আংলং জিলাৰ অন্তৰ্গত খেৰণি মডেল হস্পিতেলৰ বৰ্তমান চিকিৎসাৰ বাবে প্ৰয়োজনীয় সা-সৰঞ্জাম আৰু ষ্টাফ পজিছন কেনেকুৱা পৰ্য্যায়ত আছে? বিতংভাৱে জনাব।

(খ) যদি এই পজিছনবোৰ সঠিকভাৱে নাই, চৰকাৰে কেতিয়ালৈ সম্পূৰ্ণ কৰিব বুলি পৰিকল্পনা কৰিছে জনাব।